**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::::::::**

১। পশ্চিম বংগৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণলৈ ১১ টা দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে।

২। প্ৰধানমন্ত্ৰী মোডীয়ে আজি দাৰ্জিলিং আৰু জলপাইগুৰি জিলাৰ বিধানসভা সমষ্টিৰ ১৩গৰাকী দলীয় প্ৰাৰ্থীৰ সমৰ্থনত শিলিগুৰিৰ কাৱাখালিত বৃহৎ পৰিবৰ্তন সংকল্প সমাবেশত অংশগ্ৰহণ কৰে।

৩। কিংবদন্তি গায়িকা তথা পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোশলেৰ আজি ৯২ বছৰ বয়সত মুম্বাইত দেহাৱসান ঘটে।

৪। চলিত বছৰৰ অমৰনাথ যাত্ৰা অহা ৩ জুলাইত আৰম্ভ হৈ ২৮ আগষ্টত অন্ত পৰিব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আন এখন খেল কিছুসময় পাছতে মুম্বাই ইণ্ডিয়ানছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগলুৰুৰ মাজত অনুষ্ঠিত হব।

ooooo

পশ্চিম বংগৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণলৈ ১১ টা দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ অভিযানে ক্ৰমাৎ তীব্ৰতা লাভ কৰিছে। ৰাজ্যখনৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকল প্ৰচাৰ অভিযানত ব্যস্ত হৈ পৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীকে ধৰি দলটোৰ শীৰ্ষস্থানীয় নেতৃবৰ্গৰ লগতে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীকে ধৰি ভিন ভিন দলৰ ৰাজনৈতিক নেতাসকলে নিজ দলৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ভোট আদায় কৰাৰ বাবে জনসাধাৰণক প্ৰভাৱিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলে বিভিন্ন স্থানত জনসমাবেশ, ৰোড শ্ব' তথা জনসভা অনুষ্ঠিত কৰাৰ লগতে ঘৰে ঘৰে প্ৰচাৰ অভিযান চলোৱাৰ লেখিয়া কাৰ্যসূচী অব্যাহত ৰাখিছে।

বিজেপিৰ জেষ্ঠ্য নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে পশ্চিম বংগৰ শিলিগুৰি কৰিডৰ অঞ্চলটোৰ লগতে দেশৰ নিৰাপত্তাৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু কেন্দ্ৰই ইয়াক সুৰক্ষিত কৰাৰ বাবে সকলো প্ৰচেষ্টা চলাই আছে। আজি পশ্চিম বংগৰ শিলিগুৰিৰ কাৱাখলীত এখন ৰাজহুৱা সভাত সম্বোধন কৰি শ্ৰী মোদীয়ে অভিযোগ কৰে যে শাসকীয় তৃণমূল কংগ্ৰেছে (টিএমচি) এসময়ত কৰিডৰটো অৱৰোধ কৰা আৰু উত্তৰ-পূবক বিচ্ছিন্ন কৰাৰ ভাবুকি দিয়া উপাদানসমূহক সমৰ্থন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে যে, টিএমচি-ৰ তুষ্টিকৰণ ৰাজনীতি ৰাজ্য চৰকাৰৰ বাৰ্ষিক বাজেট আবণ্টনত স্পষ্টভাৱে প্ৰতিফলিত হয়। তেওঁ ৰাজ্য চৰকাৰক মাদ্ৰাচাৰ শিক্ষা উন্নয়নৰ বাবে ছয় হাজাৰ কোটি

টকা আবণ্টন কৰাৰ লগতে উত্তৰ-পূবৰ প্ৰৱেশদ্বাৰ উত্তৰ বংগৰ বাবে বাজেট আবণ্টন প্ৰদান কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰে। চাহ বাগিচাৰ শ্ৰমিকসকলক আশ্বাস দি শ্ৰী মোদীয়ে আয়, শিক্ষা আৰু স্বাস্থ্যসেৱাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, যদি ৰাজ্যখনত বিজেপি চৰকাৰে ক্ষমতালৈ আহে, অঞ্চলটোত চিকিৎসালয়, চিকিৎসা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় নিৰ্মাণক অগ্ৰাধিকাৰ দিব। তেওঁ লগতে মতুৱা আৰু নমশূদ্ৰ সম্প্ৰদায়ক ৰাজ্যখনত বিজেপি ক্ষমতালৈ অহাৰ পিছত নাগৰিকত্ব (সংশোধনী) আইন (চিএএ) ৰ অধীনত নাগৰিকত্ব লাভ কৰাৰ আশ্বাস দিয়ে। উন্নয়নমূলক পদক্ষেপৰ ওপৰত আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে চেভোক-ৰংপো ৰে'ল সংযোগ সম্পূৰ্ণ হোৱাৰ পথত আৰু অতি সোনকালেই ছিকিমক ৰে'লৱে নেটৱৰ্কৰ সৈতে সংযোগ কৰি পৰ্যটন, বাণিজ্য আৰু নিযুক্তি বৃদ্ধি কৰিব।

প্ৰধানমন্ত্ৰী মোডীয়ে আজি দাৰ্জিলিং আৰু জলপাইগুৰি জিলাৰ বিধানসভা সমষ্টিৰ ১৩গৰাকী দলীয় প্ৰাৰ্থীৰ সমৰ্থনত শিলিগুৰিৰ কাৱাখালিত বৃহৎ পৰিৱৰ্তন সংকল্প সমাবেশত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত দাৰ্জিলিং, কালিম্পং আৰু জলপাইগুৰি জিলাৰ কেইবাহাজাৰ দলীয় কৰ্মকৰ্তা আৰু সমৰ্থকে ভাগ লয়। উল্লেখযোগ্য যে বিজেপিয়ে দাৰ্জিলিং জিলাৰ পাঁচখন, কালিম্পং জিলাৰ এখন আৰু জলপাইগুৰি জিলাৰ ৭খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

ৰাজ্যখনত অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। অহা ৪ মে'ত ভোটগণনা কৰা হ'ব।–

একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও আজি বাংকুৰাৰ সোণামুখীৰ লগতে পূব মেদিনীপুৰৰ দুঠাইত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ কথা। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েও আজি পূব বৰ্ধমান, পশ্চিম বৰ্ধমান আৰু বাংকুৰা জিলাৰ কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। হুগলী জিলাৰ খেলপথাৰত আয়োজিত এখন জনসভাত দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে ভাষণ দিব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনৰ চিনছুৰা আৰু সপ্তগ্ৰাম বিধানসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ সমৰ্থনত এই জনসভাৰ আয়োজন কৰা হৈছে।

00000

কিংবদন্তি গায়িকা তথা পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোশলেৰ আজি ৯২ বছৰ বয়সত মুম্বাইত দেহাৱসান ঘটে। মহাৰাষ্ট্ৰৰ সাংস্কৃতিক মন্ত্ৰী আশীষ শেলাৰে কণ্ঠশিল্পীগৰাকী চিকিৎসাধীন হৈ থকা চিকিৎসালয়খনৰ প্ৰাংগণৰ পৰা সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। কাইলৈ বিয়লি ৪বজাত শিৱাজী পাৰ্কত তেওঁৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে বুকুৰ সংক্ৰমণ সম্পৰ্কীয় স্বাস্থ্যজনিত অসুবিধাৰ বাবে কালি সন্ধিয়াৰ ভাগত তেওঁক মুম্বাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত হৈ থকা আশা ভোশলেয়ে ৯ বছৰ বয়সত তেওঁৰ সাংস্কৃতি যাত্ৰা আৰম্ভ কৰিছিল। ১৯৪৩ চনত প্ৰথমটো গীত বাণীবদ্ধ কৰা সুকণ্ঠি গায়িকাগৰাকীয়ে পাছলৈ হিন্দী চলচ্চিত্ৰ জগতত বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হয়।

অভি না জাও চোড়কৰ, ইন আখো কি মস্তি, দিল চীজ ক্যা হে, পিয়া টু অৱটু আজাকে ধৰি বহু জনপ্ৰিয় হিন্দী গীতত কণ্ঠ নিগৰোৱা আশা ভোশলেয়েই বিভিন্ন ভাৰতীয় ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিংবদন্তি শিল্পীগৰাকীৰ মৃত্যুত দুখ প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে  আশা ভোছলে ভাৰতৰ আটাইতকৈ চিনাকী আৰু বহুমুখী কণ্ঠৰ ভিতৰত অন্যতম আছিল। দশক দশক ধৰি চলি থকা তেওঁৰ অসাধাৰণ সংগীত যাত্ৰাই দেশৰ সংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰি তুলিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কিংবদন্তি গায়িকা আশা ভোছলেৰ মৃত্যুত শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে তেওঁৰ মৃত্যুৱে সংগীত জগতত শূন্যতাৰ সৃষ্টি কৰিছে। তেওঁৰ মৃত্যুত সংগীত প্ৰেমীসকলৰ বাবে এক অপূৰণীয় ক্ষতি আৰু তেওঁৰ সংগীত চিৰদিনৰ বাবে জীয়াই থাকিব বুলি দৃঢ়তাৰে কয়।

পদ্মবিভূষণ বঁটা বিজয়ী কণ্ঠশিল্পী আশা ভোছলেৰ মৃত্যুত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু গৃহমন্ত্ৰী অমিত শ্বাহেও শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে শিল্পীগৰাকীৰ মৃত্যুত সংগীত জগতৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁ লগতে কয় যে তেওঁৰ মধুৰ সুৰৰ প্ৰতিধ্বনি চিৰদিনৰ বাবে বাজি থাকিব। লগতে তেওঁৰ পৰিয়াল আৰু অনুৰাগীসকলক সমবেদনা জ্ঞাপন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে আশা ভোছলে কেৱল নিজৰ মধুৰ কণ্ঠ আৰু প্ৰতিভাৰে এক অনন্য পৰিচয় খোদিত কৰাই নহয় তেওঁ সুৰৰ যোগেদি ভাৰতীয় সংগীতক আৰু অধিক সমৃদ্ধ কৰিছিল। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে সংগীতৰ প্ৰতিটো ধাৰাৰ লগত নিজকে খাপ খুৱাই লোৱা তেওঁৰ অসাধাৰণ ক্ষমতাই প্ৰত্যেকৰে হৃদয় জয় কৰিছিল।

আশা ভোছলেৰ মৃত্যুত উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণেও শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাধাকৃষ্ণণে কয়, যে আশা ভোছলেৰ বহুমুখী কণ্ঠই সকলোৰে হৃদয় জিনিছিল।  তেওঁ লগতে কয়, যে আশা ভোছলেৰ কালজয়ী কণ্ঠ চিৰদিন অনুৰাগীৰ হৃদয়ত অনুৰণন কৰিব আৰু যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব।

০০০০০

চলিত বছৰৰ অমৰনাথ যাত্ৰা অহা ৩ জুলাইত আৰম্ভ হৈ ২৮ আগষ্টত অন্ত পৰিব। উল্লেখযোগ্য যে ২৮ আগষ্টত এইবেলি ৰাখিবন্ধন উৎসৱো পালন কৰা হ'ব। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই এই বিষয়ে ঘোষণা কৰি কয়, যে অমৰনাথ যাত্ৰা ৫৭ দিন ধৰি অব্যাহত থাকিব। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী সিনহাই কয়, যে অহা ২৯ জুনত জেঠ পূৰ্ণিমাৰ দিনা ভগৱান শিৱৰ আশীৰ্বাদ বিচাৰি প্ৰথম পূজা অনুষ্ঠিত হ'ব। অমৰনাথ যাত্ৰাৰ বাবে আগতীয়া নাম পঞ্জীয়ন ১৫ এপ্ৰিলত আৰম্ভ হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। আগ্ৰহীসকলে অনলাইন আৰু অফলাইন দুয়োটা পদ্ধতিৰে আবেদন জনাব পাৰিব। দেশজুৰি জম্মু আৰু কাশ্মীৰ বেংক, পঞ্জাব নেচনেল বেংক, ভাৰতীয় ষ্টেট বেংক আৰু ইয়েচ বেংককে ধৰি ৫৫৪টা বেংক শাখাৰ জৰিয়তে পঞ্জীয়নৰ সুবিধা উপলব্ধ কৰা হ'ব।

০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানক বিহাৰৰ বিধায়ক দলৰ নেতা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিযুক্তি দিছে। আজি দলটোৰ সংসদীয় পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কয়, যে তামিলনাডুৰ বিজেপি দলৰ কৰ্মকৰ্তাসকলে ৰাজ্যখনৰ ডি এম কে দলৰ দুৰ্বল প্ৰশাসনিক ব্যৱস্থা প্ৰকট কৰি তুলিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোডীয়ে তামিলনাডুত বিজেপিৰ কৰ্মকৰ্তাসকলক অভিনন্দন জনোৱাৰ লগতে ৰাজ্যখনৰ প্ৰগতিৰ হকে এন ডি এ-য়ে গ্ৰহণ কৰা দৃষ্টিভংগীসমূহৰ ওপৰত আলোকপাত কৰে।

শ্ৰীমোডীয়ে কাইলৈ সন্ধিয়াৰ ভাগত অনুষ্ঠিত হ'বলগীয়া **মেৰা বুথ, সবসে মজবুত সংবাদ** কাৰ্যসূচীত বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে তেওঁ মত বিনিময় কৰিব বুলিও প্ৰকাশ কৰে।

তামিলনাডুৰ বিৰোধনগৰ জিলাৰ ছট্টোৰত বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে ৰাজ্যিক বিজেপি প্ৰধান নাইনাৰ নগেন্দ্ৰনৰ হৈ প্ৰচাৰ চলায়। ছট্টৰত অনুষ্ঠিত হোৱা ৰোড শ্ব'ত প্ৰাক্তন সাংসদ তথা অভিনেতা সাৰথ কুমাৰৰ লগতে দলৰ বহু শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে। লগতে বিজেপি, AIADMK, PMK আৰু NDS মিত্ৰজোটৰ বহু সদস্যইও অংশগ্ৰহণ কৰে। ডি এম কেৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে আজি পুৱা পাৰমাকুদিত দলৰ প্ৰাৰ্থীৰ সমৰ্থনত জনসাধাৰণৰ সৈতে বাৰ্তালাপ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আজি গুজৰাট টাইটানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ টা উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে ১৬৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অ'ভাৰ ৪টা বলতে ৩ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ